ডেকা-গাভৰুৰ

লক্ষণ চৰিত।

শ্ৰীদিবাকৰ [illegible] দ্বাৰা সংগৃহীত

ও

শ্ৰীঃ [illegible] উপাধ্যায়ৰ দ্বাৰা

সংশোধিত।

তৃতীয় সংস্কৰণ।

শ্ৰীশিৱনাথ ভট্টাচাৰ্য্য দ্বাৰা

প্ৰকাশিত।

ডিব্ৰুগৰ।

আসাম [illegible], গৌৰীশঙ্কৰ যন্ত্ৰত;
শ্ৰী[illegible] চক্ৰৱৰ্ত্তী দ্বাৰা ছাপা হ'ল।

১৯০৯ সন।

দাম ৶০ তিনি অনা মাত্ৰ।

ডেকা পাঠকৰ।

লক্ষ্মণ চৰিত্ৰ।

শ্ৰীদিবাকৰ ডুবৰাৰ দ্বাৰা সংগৃহীত।

শ্ৰীনকুলচন্দ্ৰ শৰ্ম্মা উপাধ্যায়ৰ দ্বাৰা।

সংশোধিত।

তৃতীয় সংস্কৰণ সংশোধিত আৰু পৰিবৰ্দ্ধিত।

শ্ৰীশিবনাথ ভট্টাচাৰ্য্য দ্বাৰা

প্ৰকাশিত।

ডিব্ৰুগড়।

আসাম বিহাবাৰি

গৌৰী শঙ্কৰ যন্ত্ৰত

শ্ৰীবজ্ৰেশ্বৰ চক্ৰবৰ্ত্তী দ্বাৰা ছপা হ'ল

১৯০৯ সন।

বেচ ।০ চাৰি অনা মাথোন।

সূচী পত্ৰ।

—— : ০ : ——

বিষয়	পিঠি
১। পৰমায়ু	২
২। গাভৰু চাৰি ৰকম	৩
৩। ডেকা চাৰি ৰকম	৫
৪। ডেকাৰ উপযুক্ত গাভৰু	৬
৫। ডেকাই উপযুক্ত গাভৰুক বিয়া নকৰাৰ ফল	৭
৬। ডেকাই গাভৰুৰ মন সন্তোষ কৰাবৰ উপায়	১০
৭। গাভৰুৰ লক্ষণ	১১
৮। কন্যাকাল হেৰো মাহৰ ফল	২০
৯। কন্যাকাল হোৱা বাৰৰ ফল	২১
১০। ডেকাৰ লক্ষণ	২২
১১। সহবাস কৰাৰ নিয়ম	২৪
১২। বিয়াৰ উপযুক্ত মাহ	২৬
১৩। ষোড়শ শৃঙ্গাৰ বৰ্ণনা	২৭

—— : ০ : ——



লক্ষণ চৰিত্ৰ।



বিশেষ কথা।

ডেকাৰ সোঁহাতে আৰু গাভৰুৰ বাঁও হাতে সকলো লক্ষণ চাব লাগে।

আগেয়ে পৰমায়ু নোচোৱাকৈ আন বিলাক লক্ষণ চোৱা উচিত নহয়; কিয়নো আয়ুস নেথাকিলে লক্ষণে কি কৰিব?

ই দেখি সকলো কথা পাচ কৰি হাত খন মেলি আয়ুসৰ ৰেখা ডালি চাব।



পৰমায়ু।

১। কেয়াঁ আঙ্গুলীৰ গুৰিৰ পৰা যি ডাল আঁক আছে, তাকে আয়ুসৰ আঁক বোলে।

২। কেয়াঁ আঙ্গুলীৰ গুৰিৰ পৰা যদি তৰ্জ্জনী আঙ্গুলীলৈকে আয়ুসৰ আঁক থাকে, তেনেহলে ছকুড়ি বছৰ, মাজৰ আঙ্গুলীলৈকে চাৰকুড়ি বছৰ কুশ আঙ্গুলীলৈকে থাকিলে দুকুড়ি দহ বছৰ আয়ুস আছে বুলি জানিব।

৩। আয়ুসৰ আঁক ডালৰ ওপৰে যদি অন্য কোনো সৰু আঁক পাৰ হৈ যায়, তেনেহলে সেই গাভৰ অলপ আয়ুস আৰু অপমৃত্যু হব বুলি জানিব।

৪। যাৰ আয়ুসৰ আঁক ডালকৈ নিছিলিকে, তেওঁ বিলাকৰো অলপ আয়ু, বুলি জানিব কিন্তু সেই কোনো কেইটা বৰ অমৰা সুপষ্ট থাকে।

৫। কপাল খন লোপ কৰিলে যিমান ৰেখা হয়, তিমান কুৰি বছৰ আয়ুহই থাকে (অৰ্থাৎ আঁক ডাল পাঁচ একুৰি বছৰ আয়ু) বুলি জানিব।

—০✻—

গাভৰু চাৰি ৰকম।

পদ্মিনী, চিত্ৰিনী, শাংখিনী, আৰু হস্তিনী।

পদ্মিনী গাভৰুৰ চিন।

যি গাভৰু পদ্মিনী হব, তেওঁৰ গা পদুম ফুলৰ নিচিনা গোন্ধায়। ইয়াৰ বাহিৰেও হৰিণা পহুৰ চকুৰ দৰে চকু জুঁৰ; কুলি চৰাইৰ দৰে মাত, হাত ভৰিৰ আঙ্গুলী বিলাক ঠোৰালি ঠোৰালি, কেশ টাৰি দীঘল, সকলোকে মৰম লগাব পাৰে আৰু গটাইবে ওপৰত সমান মৰম ৰাখি থাকিলে তেওঁয়েই ঘৰত লক্ষ্মী স্বৰূপা হৈ থাকে।
যাৰ ঘৰত পদ্মিনী গাভৰু থাকে, তেওঁ বিলাকৰ কেতিয়াও দুখ নহয় তেওঁৰ গিৰিয়েক বৰ চহকী হয়, আৰু বহুত দিন জীয়াই থাকে (যেৰত তৰা জোলিকাৰ দৰে) গাঁৱৰত পোচৰ কৰি থয়।

—•:*:•—

চিত্ৰিনী গাভৰুৰ চিন।

যি গাভৰু চিত্ৰিনী হব, তেওঁ গিৰিয়েকৰ বৰ বাধ্য থাকে, পৰ পুৰুষৰ মুখ নেচায়, লোভীয়া নহয়, সদায়

সঁচা কথা কয় স্বভাব চৰিত্ৰও ভাল হয়, মৰম আৰু ক্ষমা গুণ থাকে, দেখিবলৈ সুৱনী আৰু লনী হয়, বৰ কামাতুৰা নহয়, বৰ লাজ কুৰীয়া আৰু ধৰ্ম্মলৈ ভয় ৰাখি কাম কৰে।

—০✽০—

শঙ্খিনী গাভৰুৰ চিন।

যি গাভৰু শঙ্খিনী হব, তেওঁৰ গাটো সদায় খাবৰ নিচিনা কৈ গোন্ধায় থাকে, বৰ কামাতুৰা, সদায় মুখৰ হাঁহি সুগুচে অৰ্থাৎ খঙিয়াল, স্তন দুটা টান, গা'টো দীঘল সাৰুয়া, নাকৰ আগ উঠ কথা বিলাক কোমল কপালত বহুত আঁক থাকে, আৰু গিৰিয়েক বা অন্য তেওঁ দেৱা মানুহলৈ বৰ ভয় নকৰে।

—০✽০—

হস্তিনী গাভৰুৰ চিন।

যি হস্তিনী গাভৰু হব, তেওঁৰ গাটো গোন্ধায়, সদায় পৰ পুৰুষৰ লগত থাকিবলৈ ইচ্ছা কৰে, কামত অথিৰ হৈ ফুৰে, চকু দুটা বঙা, চুলি বিলাক পাতল আৰু বঙা মুখিয়া বৰ হটঙী ও শকট আৰু সদায় মিছাত ফুৰে।

ডেকা চাৰি ৰকম।

শশক, মৃগ, বৃষ, আৰু অশ্ব।

শশক ডেকাৰ চিন।

যি শশক ডেকা হয়, তেওঁৰ নৰ গঠন, পৰৰ হিতো-তাৰ মথ চেষ্টায়, সদায়ে মিঠা কথা কয়, সৰ খিন জুৰ আৰু স্বভাৱ চাৰিত্ৰ ভাল, কোনো পাপ কামত মন নিদিয়ে আৰু ধৰ্মত মতি হয়,

—॰॰—

মৃগ ডেকাৰ চিন।

যি মৃগ ডেকা হয়, তেওঁৰ মন বৰ চঞ্চল সদায় আনন্দত থাকে, বৰ সাহিয়, হাত ভৰিৰ আঙুলি বিলাক দীঘলীয়া নাক গা [illegible] ভাল পায়, আলহি আলধিক ভালকৈ [illegible] পোছ [illegible] আৰু চকু জুৰিলৈ লাগেন্তে যেন সেই মানুহৰ মৰম লাগে।

—॰—

বৃষ ডেকাৰ চিন।

যি বৃষ ডেকা হয়, তেওঁৰ চকুত টোপনি নাই,

কামাতুৰা, জিভা দীঘল বিলাজ অৰ্থাৎ লাজ নাই, গাভৰু দেখিলে মন চঞ্চল হয়, পাপ কামলৈ ভয় নকৰে, আৰু হাত ভৰি বিলাক দনী হয়।

•—◦❀::❀◦—•

অশ্ব ডেকাৰ চিন ।

যি অশ্ব ডেকা হব, তেওঁ জাত কুলৰ নিমিত্তে বৰ ভয় নেৰাখে গাভৰু দেখিলেই তেওঁ নৰ অস্থিৰ হৈ পৰে, লাজ ভয় এৰি কু ইচ্ছা পুৰাবলৈ চায়, অশ্ব জাতি ডেকাৰ প্ৰায় মৰণ কলা হয়, পৰক নিন্দা কৰে ও বিপ কৰে, মোটা বুদ্ধি অৰ্থাৎ বুদ্ধি হীন, লাহে লাহে খোজ কাঢ়িব নোৱাৰে, হাত ভৰি বিলাক দীঘল, স্বভাৱ চৰিত্ৰ বিলাকো বৰ বেয়া আৰু ৰাতি প্ৰায় নোশোৱাকৈয়ে থাকে।

——:❀:——

ডেকাৰ উপযুক্ত গাভৰু।

শশক জাতি ডেকাই পদ্মিনী গাভৰুক, মৃগ জাতি ডেকাই চিত্ৰিণী গাভৰুক, বৃষ জাতি ডেকাই শঙ্খিনী গাভৰুক আৰু অশ্ব জাতি ডেকাই হস্তিনী গাভৰুক বিয়া

কৰাব লাগে। তেহে মিল হয়।

ওপৰত লিখা মতে যদি ডেকা বিলাকে বিয়া কৰে তেনেহলে উভয়ে উভয়ৰ মনত সন্তোষ আৰু আনন্দেৰে দিন কটাব পাৰে।



ডেকাই উপযুক্ত গাভৰু বিয়া নকৰাৰ ফল।

১। শশক ডেকাই যদি হস্তিনী গাভৰুৰ লগত বিহাৰ কৰে, তেনেহলে তেওঁ খিনাই শুকাই অলপ দিনৰ ভিতৰতে শ্ৰীহত হয়

২ শশক ডেকাৰ ঔৰসত হস্তিনী গাভৰুৰ লৰা ছোৱালী হলে, সেই বিলাক লৰা ছোৱালী বহুত দিন জীয়াই নথাকে। হস্তিনী গাভৰুক শশক ডেকাই কোনো কাৰ্য্যতেই বা কথাতেই সন্তোষ ৰাখিব নোৱাৰে

৩। শশক ডেকাৰ ঔৰসত যদি শঙ্খিণী গাভৰুৰ লৰা ছোৱালী হয়, সেই লৰা বা ছোৱালী কাৰো লগত মিলিব নোৱাৰে আৰু ভালৰ সঙ্গত থাকি ভাল নেপায়।

৪। শশক ডেকাৰ ঔৰসত যদি চিত্ৰিনী গাভৰুৰ লৰা ছোৱালী হয়, সেই লৰা ছোৱালীৰ পৰা মাক বাপেকে

শোক পায় আৰু কেতিয়াও তাহাতঁৰ সুখ নহয়।

৫। স্বৰ্গ ডেকাৰ ঔৰষত পদ্মিনী গাভৰুৰ লৰা ছোৱালী হলে, সেই বিলাক লৰা ছোৱালীয়ে বৰ সুখেৰে থাকে আৰু মাক বাপেকেও তাহাঁতৰ পৰা কিছু দূৰ সুখত থাকিব পাৰে।

৬। স্বৰ্গ ডেকাৰ ঔৰষত যদি শংখিনী গাভৰুৰ লৰা ছোৱালী [illegible] সেই বিলাক লৰা [illegible] আৰু [illegible] ছোৱালী হলে [illegible] হয়, [illegible] নাই

৭ [illegible] যদি পদ্মিনী গাভৰুৰ [illegible] [illegible] থয়া কৰে, [illegible] আৰু [illegible] মাক বাপেকে [illegible] শান্তি নহয়

৮। স্বৰ্গ ডেকাৰ ঔৰষত হস্তিনী গাভৰুৰ লৰা ছোৱালী হলে [illegible] নহয় [illegible] লৰা হলে বৰ উৎপাত কৰে, সেই লৰাৰ পৰা মাক বাপেকে সদায় লোকৰ গালি খাব লাগে। আৰু ওচৰ চুবুৰীয়া মানুহবো তাহাঁতৰ পৰা শান্তি নহয়। ছোৱালী হলে মাক বাপেকৰ কলঙ্ক ঘটায়, ওচৰ চুবুৰীয়া মিতিৰ কু-

টুষৰ ঘৃণনীয় হয় আৰু তেওঁ দিনে বছুন ডেকাৰে কি-হাৰ কৰিবলৈ ইচ্ছাকৰে ।

৯ যুষ ডেকাৰ ঔৰষত চিত্ৰিনী গাভৰুৰ ল'ৰ ছো-ৱালী হলে, সেই ল'ৰা ছোৱালীয়ে অলপ দিনতে মা-ক বাপেকক শোক দি পৰলোক হয়

১০ । অশ্ব ডেকাৰ ঔৰসত যদি পদ্মিনী গাভৰুৰ ল'ৰা ছোৱালী হয়, সেই ল'ৰা ছোৱালী নপুংসক আৰু হা-তেই বা ভৰিয়েই নাইকিয়া হয় । এনে ল'ৰা ছোৱা-লী হোৱাই নোহোৱাই সমান, সেই বাবে অশ্ব ডেকাই পদ্মিনী গাভৰুক কেতিয়াও বিয়া কৰাব নেলাগে

১১ । অশ্ব ডেকাৰ ঔৰষত যদি চিত্ৰানী গাভৰু ল'ৰা ছোৱালী হয়, সেই ল'ৰা ছোৱালী উপজীয়ে মৰে, নাইবা এটা চকু কণা হয় ।

১২ অশ্ব ডেকাৰ ঔৰষত শঙ্খিনী গাভৰুৰ লৰা ছো ৱালী হলে, সেই লৰা ছোৱালী বিলাকৰ দুইটা চকু কণা হয় । এনে লৰা ছোৱালী নহলে বৰং মাক বা-পেকে অলপ আনন্দ বেই থাকিব পাৰিব । সেই দেখি অশ্ব ডেকাই শঙ্খিনী গাভৰুক বিয়া কৰোৱা যে অন্যায়, কিয়নো উভয়ৰে অনিষ্ট হয়, বিশেষ কৈ শঙ্খিনী গাভ ৰুৰ বৰ হানি হয় ।

ডেকাই গাভৰুৰ মন সন্তোষ কৰাবৰ উপায়।

১। পদ্মিনী গাভৰুক ভাল অলঙ্কাৰ, ভাল বিছা কেখেল দিলে আৰু মৰমীয়াল কথা কলেই সন্তোস পায়।

২ চিত্ৰানী গাভৰুক ভাল খোৱা বস্তু আৰু ওচৰত বহুৱাই প্ৰেমৰ কথা বা সাধু কথা কলেই তেওঁৰ শিৰ মুকুট হ'ব পাৰিব

৩। শঙ্খিনী গাভৰুৱে যি বস্তু বিচাৰে তেতিয়াই সেই বস্তু পাব লাগে। লোকৰ কোনো এটা ভাল বস্তু দেখিলে তাক লবলৈ ইচ্ছা কৰে। লগৰ সমনীয়া সকলে, যি অলঙ্কাৰ বা ভাল কাপোড় পিন্ধে, সেই বিলাকতকৈ ভাল আৰু তাতকৈ বেছি দামৰ পালেহে তেওঁ বশ্যা গত হৈ থাকে।

৪। হস্তিনী গাভৰুৰ মন সন্তোস কৰাবলৈ লগত বহুৱাই ধেমেলীয়া কথা পাতিব লাগে, বিশেস কৈ বেয়া গীত শুনাব লাগে আৰু বেছি কামাতুৰ হলেই তেওঁক বশ কৰিব পাৰিব।

গাভৰুৰ লক্ষণ ।

১। যি তিৰোতাৰ হাতৰ তলুৱাত বহুত আঁক দেখিবলৈ পোৱা যায়, তেওঁ গিৰীয়েকৰ মূৰ খায়। যি যিলাকৰ থাকিব লগিয়া আঁক কেডাল ভালকৈ নিজিলিকে, তেওঁ দুখীয়া আৰু ঘৰে ঘৰে মাগি খাওতেই দিন যায়।

২। যি তিৰোতাৰ হাতৰ তলুৱাত পকা ঘৰ বা দুৱাৰৰ চিন দেখিবলৈ পোৱা যায় তেওঁ নিচ কুলজনম ললেও ৰাজ ৰাণী হবলৈ পায়। যাৰ হাতে তলুৱাত শঙ্খ, ছাতি বা কাছৰ চিন থাকে, তেওঁ ৰাণী নহল তাৰ কোনো ভুল নাই।

৩। যি তিৰোতাৰ হাতৰ তলুৱাত পাংশিং ৬ মাকৰি + বা চক্ৰৰ চিন থাকে, তেওঁ কোনো চকি মানুহৰ ঘৰত গৈ আৰু ল'ৰা ছোৱালী পিলাকো বৰ ধুনী হয় যাৰ গাড়ীৰ চকৰীৰ দৰে চিন থাকে, তেওঁ ভালোৱা চহাৰে গৃহ বাস কৰিবলৈ পায়।

চাণী খোদা জাঠা।

তিৰোতাৰ কাৰণে শিক্ষা দেখিছে।

৪। যি তিৰোতাৰ হাতৰ তলুৱাত মাকৰি বা দোলাৰ চিন থাকে তেওঁৰ গিৰীয়েক বহুত দিন জীয়াই থাকে আৰু সুসন্তান হয়। যাৰ হাতৰ তলুৱাত শিয়াল, ভে-কুলি বান, বউঁৰি, বিচ্ছা, সৰ্প, গাধ বা উট থাকে তেওঁ গিৰীয়েকৰ ৰ মৰণীয়াল আৰু তেওঁৰ দুখতে দুখিনা হয়।

৫। যি তিৰোতাৰ বুঢ়া আঙ্গুলীৰ পৰা কেঁচা আ-ঙ্গুলীৰ ওচৰলৈকে এডাল ৰেখা থাকে সেই তিৰোতাই গিৰীয়েকৰ সুখ পায় জানা শুনা মানে এই লক্ষণৰ তিৰোতাক এৰাই চেষ্টা কৰিবা।

৬। যি তিৰোতাৰ বুঢ়া আঙ্গুলীৰ গুৰিৰ পৰা মাজ-ৰ লৈকে অকত চক্ৰ নৰ লেখিয়া আঁক থাকে তেওঁ নষ্ট চৰিত্ৰা, পৰ পুৰুষপ্ৰিয়া আৰু স্বতন্ত্ৰী হৈ থাকে যাৰ কুন আঙ্গুলীৰ ৰেখা বিলাক ছিগা তেওঁ পেট কপালী, যাৰ মধ্যমা আঙ্গুলীৰ ৰেখা বিলাক ছিগা তেওঁ বাৰী আৰু যাৰ কেঁচা আঙ্গুলীৰ ৰেখা বিলাক ছিগা তেওঁ বৰ দুখীয়া হয়।

৭। যি তিৰোতাৰ ভৰিৰ বুঢ়া আৰু কেঁচা আঙ্গুলী মাটিত নেলাগে তেওঁ বাঁৰী হয়। যাৰ তৰ্জ্জনী বা অনা-মিকা আঙ্গুলী খোজ কাঢ়োঁতে মাটিত নেলাগে তেওঁ

দুখি হয়।

৮। যি তিৰোতাই খোজ কাঢ়ি যাওঁতে মাটি কঁপায় যায়, লুভিয়া আৰু বহুত খায় তেওঁক পাবা যাৰ এৰিবলৈ চেষ্টা কৰিবা।

৯ যি তিৰোতাৰ ভৰিৰ অনামিকা আঙ্গুলী মাটিত নপৰে তেওঁ সোনকালে গিৰীয়েকৰ মূৰ খায় কিন্তু নিজে বহুত দিনলৈকে জীয়াই থাকে। যাৰ কেঁৰা আঙ্গুলী মাটীত নপৰে তেওঁ প্রথম গিৰীয়েকৰ মূৰ খায়, দ্বিতীয় জনৰ প্রিয় পাত্র হয়। যাৰ খোজ কাঢ়োতে ভৰিৰ মাত শুনি তেওঁ বাৰী হয়। তিৰোতাৰ খৰা চ ভৰিৰ হলেও গিৰীয়েকৰ মূৰ খায়।

• যি তিৰোতাৰ খোজ ৰাজ হাঁহৰ দেখিয়া আৰু কঁকাল সৰু সেই তিৰোতাই সুখেৰে থাকে আৰু ধন সম্পত্তি হয় যাৰ ভৰি বহল, ডাঙ্গৰ অঙ্গুলী, সেকাঁ, লকত আৰু আঙ্গুলী বিলাক সেৰেঙ্গা তেওঁ দুখীয়া হয়

১১ যি তিৰোতাৰ ভৰিৰ আঙ্গুলী বিলাক ইটোৱে সিটোৱে লগা লগি থাকে, নখ বিলাক বঙ্গা, ভৰিৰ তলুৱা কোমল, ভৰি বহল আৰু কৰঙ্গৰ হাড়ী গুৰৰ দেখিয়া হলে তেওঁ কল্যান কাৰিণী হয়।

১২। যি তিৰোতাৰ আঙ্গুলী বিলাক চেপেটা তেওঁ

দনী হৈ থাকে। যাৰ আঙ্গুলী বিলাক ইটোয়ে সিটোয়ে লগা লগি হৈ থাকে তেওঁ কেবা জনা গিৰীয়েকৰো মুৰ খায়, শেষত দাসী হৈ দিন কটাব লগাত পৰে।

১৩। যি তিৰোতাৰ ভৰিৰ কেয়া আঙ্গুলী থোজ কাঢোতে মাটি নেচোয়ে, তেওঁ প্ৰথম গিৰীয়েকক মাৰি অন্য এজনৰ সহায় লয়। ভৰিৰ বুঢ়া আঙ্গুলী দীঘল [illegible] হলে গিৰীয়েক মৰে।

১৪। যি তিৰোতাৰ চকু নিলা পদুমৰ দৰে বৰণ হয়, তেওঁ সুলক্ষণা। যাৰ চকু [illegible], পিঙ্গল বৰণ, শ্যাম বৰ্ণ আৰু [illegible] তেওঁ [illegible] চৰিত্ৰা স্ত্ৰী জানিব। চকু [illegible] আৰু, দুৰ্গন্ধি [illegible] চকু হলে কুলক্ষণা বুলি জানিব

১৫। যি তিৰোতাৰ চকু বঙ্গা, মনি [illegible] আৰু [illegible] হলে সেই তিৰোতাই সুলক্ষণা। [illegible] যাৰ [illegible] তেওঁ [illegible] চৰিত্ৰ হব তাৰ কোনো ভুল নাই।

১৬। যি তিৰোতাই বাটত সোঁলতে দাঁত কামুৰি থাক, আৰু যি হকে পায় তাকে বকি থাকে তেওঁ সুল-

ক্ষণী হলেও কুলক্ষণী বুলি জানিব। যাৰ দাঁত বিলাক দীঘল ক'লা আৰু সেৰেঙ্গা, তেওঁ দুভগীয়া আৰু সদায় দুখত পৰি থাকে, সুখনো কি বস্তু তেওঁ বিলাকে একো জানিব নোৱাৰে

১৭। যি তিৰোতাৰ দাঁত বিলাক বগা, মিহি, সমান আৰু একুৰি দুটা দাঁত থাকে তেওঁ কল্যান কাৰিণী। যাৰ দাঁত দেখিবলৈ বেয় তেওঁ বাঁৰী হয়।

১৮। যি তিৰোতাৰ জিভা বগা তেওঁ পাণীত পৰি মৰাত ভয় য'ৰ মেঘ বৰণায়' তেওঁ সুন্দৰী, যাৰ খ' ফুট তেওঁ দুখীয়া, যাৰ দীঘল তেওঁ নোখোৱা বস্তু খাবলৈ ইচ্ছা কৰে, আৰু যাৰ বহল তেওঁ বিলাকে খৰৰ কাম কৰাত ওস্তা হয়

১৯ যি তিৰোতাৰ দক্ষ কালত হাঁহৰ লেখিয়া গাত গামোছা লোৱা কালত কুলি চৰাই লেখিয়া আৰু গা-ভৰ্ক কালত চাকৈ চকোৱাৰ দৰে মাত মাতিলে তেওঁ নমবালৈকে সুখত থাকে।

২০। যি তিৰোতাৰ গাটো লনী সোনৰ লেখিয়া কবৰণ, আৰু হাতৰ তলুৱা ৰঙ্গা পদুমৰ লেখিয়া হলে তেওঁ সকলোতকৈ সুলক্ষণী হয়। যি বিলাকৰ ওঠ ছুটা ভাঙ্গৰ তেওঁ অলপতে গিৰীয়েকৰ মুৰ খায়।

২১। যি তিৰোতাৰ কৰঙ্গন হাতী শুৰৰ লেখিয়া দনী আৰু নোম নাই তেওঁ সতীৰি। নাই বহল, দ আৰু ঘুৰণীয়া হলেও সুলক্ষণী বুলি কয়।

২২। যি তিৰোতায় গিৰীয়েকক কোনো কাম কৰি-বৰ সময়ত সুন্দৰ লেখিয়াকৈ সু পৰামৰ্শ দিয়ে, সখীৰ লেখিয়াকৈ কথা ৰাখে, কোনো এটাইৰ পৰ থাকলে মাকৰ লেখিয়াকৈ মৰম কৰে আৰু [illegible] ব-ন্ধ্যাৰ লেখিয়াকৈ সন্তোষ কৰায় [illegible] নাৰি [illegible] জগতে কয়

[illegible] যি তিৰোতাৰ তলৰ ওঠ ৰঙ্গা, নখ বিলাক ঘুৰণীয়া আৰু [illegible], দাঁত বিলাক কৰবীৰ ফুলৰ দৰে [illegible] [illegible] বুলি [illegible] হয় [illegible] তেওঁক সুলক্ষণী বুলি কয়। কপাল উঠ হলে [illegible], [illegible] হলে দেওৰেক আৰু যোনী [illegible] হলে গিৰীয়েকৰ মূৰ খায়

২৪ যি তিৰোতাৰ নাকৰ আগত তিল বা মাহ থাকে, দাঁত আৰু জিভ কলা, তেওঁ দহ দিনৰ ভিত-ৰতে গিৰীয়েকৰ মূৰ খায়।

২৫ যি তিৰোতাৰ গাটো অকুৰূপ আৰু নোম থা-কে আৰু পিয়াহ ডুটি হয়, সেই তিৰোতাই কেতিয়াও সৌভাগ্য লাভ কৰিব নোৱাৰে যাৰ ডিঙ্গি সৰু আৰু

শুষ্ক দীঘল তেওঁ জাতৰ বাহিৰ হয়। বিশেষ ডিঙ্গি শকত হলে যে দন্দুৰি নহব তাৰ কোনো ভুল নাই।

২৬। যি তিৰোতাৰ নখত বগা ফোট থাকে তেওঁ তিৰোতাক অসতী বুলি জানিব। যাৰ বুকত তিল বা অন্য কোনো ৰকমৰ চিন থাকলে সৌভাগ্যবতী হয়।

২৭। যি তিৰোতাৰ সোঁ কাণৰ পিয়াহত ৰঙ্গা তিল থাকে তেওঁৰ চাৰিটা ছোৱালী আৰু দুটা লৰা জনম হয়। যাৰ বাওঁ কাণৰ পিয়াহত তিল বা অন্য কোনো ৰকমৰ ৰঙ্গ চিন থাকে তেওঁৰ কেৱল লৰা এটি জনম হয় কিন্তু অল্পতে [illegible] হয়।

২৮। যি তিৰোতাৰ বাওঁ ফালে কপালত, ওঁঠত, হাতত, কান্ধত [illegible] মাটি [illegible] থাকে তেওঁৰ [illegible] হয় যাৰ [illegible] ৰঙ্গা মাহ থাকে তেওঁ [illegible] গৰাকী হয়

২৯। [illegible] যি তিৰোতাৰ গাল অলপ ৰঙ্গ হয় হয় তেওঁ [illegible] স্বামীয়েকৰ সুখ খায়। যি তিৰোতাৰ [illegible] গালত গাঁত হয় তেওঁৰ স্বামীয়েকৰ সুখ নহয় কিন্তু তেওঁৰ মনোভি[illegible] পূর্ণ কৰে আৰু অসতী হয়

৩০। যি তিৰোতাৰ ওঁঠ ডাঙ্গৰ, কথা তিৰোতাক কটুৱা

আৰু ওঠ ফটা তেওঁ বৰ দন্দুৰী হয়। যাৰ পেট ডাঙৰ তেওঁ নাৰী আৰু দুৰ্ভাগিনী। মাইকীৰ পেট দীঘল হলে সাহুৰ বা দেওৰেকৰ মৃত্যু খায় আৰু কলহ বা মৃদঙ্গৰ দেখিয়া হলে দুখীয়া হয়।

৩১। যি গাভৰুৰ ভৰিৰ তলুৱাত বজ্ৰ বা পদ্মৰ চিন থাকে তেওঁ ৰাণী হবলৈ পায় আৰু তেওঁৰ কোতিয়াও দুখ নহয়।

৩২। যি গাভৰুৰ পিঠি দহল তেওঁ দুৰ্ভাগিনী, যাৰ সমান তেওঁ ভাগ্যৱতী আৰু যাৰ ওখ তেওঁ অসতী হয়

৩৩। যি গাভৰুৰ খোজ কাঢ়োতে ভৰিৰ কেঁয়া আঙুলী টো ঢাকা অঙুলীৰ ওপৰত উঠে তেওঁক কোতিয়াও বিয়া কৰাব নেলাগে অৰ্থাৎ তেওঁৰ পৰা একো সুখ সম্ভোগ কৰিব নোৱাৰি।

৩৪। যাৰ ভৰি তলুৱা মঙহীয়াল, কোমল, সেন্দুৰৰ লোণীয়া বৰণ আৰু সদায় ঘামি থাকে সেই গাভৰু বৰ চতুৰা হয় আৰু কোনো বস্তুৰ নাটনি নপৰে।

৩৫। যাৰ ভৰি তলুৱা সেঁতা আৰু শুকান মৰা অৰ্থাৎ নিৰস সেই গাভৰুৰ কোতিয়াও সুখ নহয় ইয়াক নিশ্চয় জানিব।

৩৬। যি গাভৰুৰ খোজ কাঢ়োতে ভৰি তলুৱাৰ পৰা।

ওপৰলৈ থুলি উঠি আছে অৰ্থাৎ খোজত থুলি উঠি উঠি আছে তেওঁ বৰ কুলক্ষণী, পৰাপক্ষত তেওঁক সহ ধাৰ্ম্মিণী কৰা যুগুত নহয়।

৩৭। যাৰ কৰঙ্গনত নোম নাই, সমান আৰু শিৰ নোলোৱা সেই গাভৰুক হে সুলক্ষণী বুলি কয়, এতেকে তেওঁ অকুৰূপা হলেও বিয়া কৰোৱা উচিত।

৩৮। যি গাভৰুৰ পেটৰ ওপৰৰ শিং বিলাক নেদেখি, পেটতো তললৈ নমা আৰু পেৰ চাল থুপ্ থুপ্ কৰে কোমল তেওঁ বৰ সুখী হয়

৩৯। যাৰ কায়লক্তি সমান তেওঁ সদা সুখত থাকে, আৰু যাৰ খাল হয় তেওঁৰ সদায় দুখহয় ইহ জনমত তেওঁ কেতিয়াও সুখৰ মুখ দেখিবলৈ নেপায়।

৪০। যি গাভৰুৰ পিঠিত নোম থাকে আৰু মঙ্গহী-য়াল তেওঁ বাৰী ভাত খাবলৈ পায়।

৪১। যাৰ বুকুৰ মাজত নোম নেথাক তেওঁ বৰ চহকী হয় আৰু সেই গাভৰুক গিৰিয়েকে বৰ মৰম কৰে আৰু আঁতৰা আঁতৰাৰ হৈ কেইদিন থাকিব নোৱাৰে।

৪২। যি গাভৰুৰ হাতৰ তলুৱা কেঁল আৰু ৰেখি আঁক নেথাকে তেওঁক বৰ সুলক্ষণী বুলি কয়।

৪৩। যি গাভৰুৰ হাতৰ আঙুলী বিলাক চেৰেলা, বেঁকা আৰু ইটোৱে সিটোৱে লগালে সেৰেঙ্গা হৈ থাকে তেওঁ সদায় নানা ৰকম বেমাৰত কষ্ট পায়।

৪৪। যি গাভৰুৰ চকু দুটা হাঁহি চকুৰ দৰে তেওঁ বৰ কুলক্ষণ বুলি জানিব।

৪৫। যি গাভৰুৰ চুলি বিলাক ভোমোৰাৰ দৰে মেছ মেছ কৰে জনা তেওঁ নমৰ্থীলকে সুখতে থাকে।

কন্যা-কাল হোৱা মাহৰ ফল।

১। বহাগ মাহত কন্যা কাল হলে সকলোৰে মৰমীয়াল আৰু স্বভাৱ চৰিত্ৰ ভাল হয় তাৰ কেনো ভুল নাই।

২। জেঠ কন্যাকাল হলে বৰ দুখ পায় অৰ্থাৎ মনত কোনোমতে সুখ নহয়।

৩। আহাৰত কন্যাকাল হলে স্বামী বৰ চহকী হয় আৰু সুখে থাকে।

৪। শাওণত কন্যা কাল হলে দুখীয়া হয়।

৫। ভাদ কন্যাকাল হলে নানা ৰকম বেমাৰ হৈ সৰীনক ন কৰে।

৬। আহিনত কন্যাকাল হলে নরবালৈকে দুখ ভুগে।
৭। কাতিত কন্যাকাল হলে জাত্যান্তৰ হয়, অৰ্থাৎ বেশ্যা
৮ আঘোনত কন্যাকাল হলে সকলোৰে মৰমীয়াল হয় আৰু পাপ কামত মন নিদিয়ে
৯ পুহত কন্যা কাল হলে স্বভাৱ চৰিত্ৰ ভাল হয় আৰু কোনো বেয়া কামলৈ মন নেযেৱে।
১০ মাঘত কন্যা কাল হলে পতিব্ৰতা হয়।
১১ ফাগুনত কন্যা কাল হলে স্বভাৱ চৰিত্ৰ ভাল হয় আৰু সকলোৰে মিলি থাকি পাৰে। তেওঁ নিজৰ লগৰ ছোৱালীৰ পৰাও সুখ পায়
১২ চৈত্ৰ কন্যাকাল হলে ভাল বস্তু বৰ গাফিয়াল হয়।

———:০:———

বাৰৰ ফল।

১ সোমবাৰে কন্যাকাল হলে পতিব্ৰতা, মঙ্গলবাৰে অসতী, বুধবাৰে সুখীয়া বৃহস্পতিবাৰে বৰ চতুৰী, শুক্ৰবাৰে সুখীয়া, শনিবাৰে বাঁজী আৰু দেওবাৰে বৰ দুখীয়া হয়।

২। দিনত কন্যাকাল হলে তেওঁৰ ওপৰত লক্ষ্মী

সদয় হয়।

৩। ৰাশি কন্যাকাল হলে সুলক্ষণী হয়।

৪। ৰাশি পুয়া বা গধূলি কন্যাকাল হলে তেওঁ বাঁজি হয় আৰু সদায় দুখত থাকে।

ডেকাৰ লক্ষণ।

১। যি ডেকাৰ ভৰিৰ তলুৱাত ধ্বজ। অংকুশ চিহ্নলৈনিৰ চিন থাকে তেওঁৰ ঘৰত সদায় লক্ষ্মী বাস কৰে।

২। যি ডেকাৰ নাইটো দ তেওঁৰ ধন বৰ্দ্ধমান হয় আৰু সদায় সুখত থাকে।

৩। যি ডেকাৰ পেট সমান তেওঁ ভোগালি, যাৰ টেকেলিথা আৰু দীঘলিয়া তেওঁ দুখীয়া হয়।

৪। যি ডেকাৰ গল ধন হাঁহ, গৰু বা কণদিলৰ লেখিয়া তেওঁৰ বৰ সুখ আৰু ধন সম্পত্তি হয়।

৫। যি ডেকাৰ হাতৰ তলুৱা খাল তেওঁ বৰ চহকী হয় যাৰ ওখ তেওঁ দানী হয় আৰু যাৰ খাল বাম থাকে তেওঁ কুলক্ষণা বুলি জানিব।

৬। ডেকাৰ হাতৰ তলুৱা ৰঙা গোলাপ ফুলৰ বৰণ

হৈ থাকে তেওঁ বৰ অময়া সুখত থাকিব তাৰ কোনো ভুল নাই।

৭। যি ছোকাৰ ভবোতা মানুহৰ লেখিয়া মুখ তেওঁ পুত্রবান হয়, যাৰ মুখ অস্তয়নী তেওঁ দুখিয় হয়, যাৰ মুখ সুবর্ণয় তেওঁ চহকী হয় আৰু যাৰ দাঁত দীঘা তেওঁ দুখিয়া হয়।

৮ যি ছোকাৰ মুখ জোনৰ লেখিয়া তেওঁৰ [illegible] মতি হয় আৰু যাৰ গাত [illegible] তেওঁ [illegible] থাকে।

৯ যি ছোকাৰ মুখ [illegible] আৰু [illegible]কৰ মুখৰ [illegible] তেওঁ সকলোৰে [illegible] আৰু প্ৰশংসনীয় হয়।

১০ যি ছোকাৰ চকু বগা [illegible] যাৰ কুকুৰৰ লেখিয়া তেওঁ সকলো কাম কাৰত পাৰ্গত হয়

১১। যি ছোকাৰ [illegible] বিলাক কুকুৰ লেখিয়া পাহল তেওঁ নপুংসক হয় যাৰ লেখিবলৈ বেয়া ডাঙৰ দুখীয়া হয় আৰু যাৰ নখত তেজ নাই তেওঁ বৰ কথা চহকী হয়

১২। যি তেওঁৰ আত্মীয় পাব বিলাক দীঘল ভেঁউ পুত্ৰ লাভ কৰে, স্ত্ৰীস্ব ৰমণীয়া হলে সদায় সুখত থাকে আৰু মনত কোনো দুখ বেজাৰ নোপোৱাকৈ দিন কটাই।

———:০:———

সহবাস কৰাৰ নিয়ম।

১। কোনো গাভৰুৰ ঋতু বা পাগৰ বাহিৰ হলে, তেওঁৰ লগত তিন দিনলৈকে সহবাস কৰিব নেপাই। আৰু কি দোষ গাভৰুৰ ঋতুই দেখাই কিমনো:—

প্ৰথম দিন————চণ্ডালিনী

দ্বিতীয় দিন————পাপীয়সী

তৃতীয় দিন————ভ্ৰষ্টী

সেই [illegible] দিনলৈকে পাগৰ বাহিৰ হোৱা গাভৰুৰ লগ, কোনো বা [illegible] কাৰণৰ নিমিত্তে সংকে [illegible] ছুই দিয়া অযুক্ত।

২। পাগৰ [illegible] চাৰি গাভৰুৰ লগত প্ৰথম দিন সহবাস কৰিলে [illegible] আয়ুস নষ্ট হয়। দ্বিতীয় দিনা [illegible] হলে সেই দোষ দেখিতে হবে।

তৃতীয় দিনৰ ঔৰষত গৰ্ভ হলে সেই লৰা বা ছোৱালী উপজি অলপ দিনৰ পাছতে মৰে। চতুৰ্থ, ষষ্ঠ অষ্টম, নৱম দশম, দ্বাদশ, চতুৰ্দশ, পঞ্চদশ, আৰু ষোড়শ দিনৰ ঔৰষত গৰ্ভ হলে সেই লৰা ছোৱালী দুৰ্খীয়া হয় আৰু সেই লৰা ছোৱালীৰ পৰা সুখ নহয়। পঞ্চম দিনৰ ঔৰষত গৰ্ভ হলে সেই লৰা ছোৱালী দেখাত ভাল আৰু সুলক্ষণা হয়। সেই লৰা ছোৱালীয়েই সুখত থাকে আৰু মাক বাপেকৰ নাম ৰাখি নিজেও দহ জনৰ প্ৰশংসনীয় হৈ সকলোৰে [illegible] [illegible] দাৰে জিলিকি থাকে। সপ্তম দিনৰ ঔৰষত গৰ্ভ নহয়। একাদশ আৰু ত্ৰয়োদশৰ ঔৰষত গৰ্ভ হলে লৰা ছোৱালী হয়, সেই লৰা ছোৱালীয়েই মাক বাপেকৰ মুখ খায়।

৩। আগ নিশাৰ ঔৰষত যদি লৰা ছোৱালী হয়, তাহাতে উপজি অলপ দিনতে মৰে, মাজ নিশা দুখীয়া হয় আৰু শেষ নিশাৰ ঔৰষত লৰা ছোৱালী হলেই ভাল। সেই শাস্ত্ৰত কৈছে যে শেষ নিশাই সহবাসৰ সময়।

৪। অমাবস্যা, দেওবাৰ একাদশী, অষ্টমী, চতুৰ্দশী আৰু সংক্ৰান্তি দিনা সহবাস কৰিব নেপায়। দিনত সহবাস কৰিলে পৰমায়ু নষ্ট হয়।

* ৫। যোল দিনৰ ভিতৰত প্ৰথম, দ্বিতীয়, তৃতীয়, চতুৰ্থ একাদশ আৰু ত্ৰয়োদশ এই কেদিনৰ বাহিৰে বাকি কেদিনতহে সহবাস কৰাৰ নিয়ম।

—:০—

বিয়াৰ উপযুক্ত মাহ।

প্ৰথমতে এই তিনটা মাহতহে বিয়া কৰাৰ সময়ঃ—

প্ৰথম ———— আঘোণ

দ্বিতীয় ———— ফাগুন

তৃতীয় ———— বহাগ

১। আঘোণ মাহত ধান বনপুণ হয়, গছ লতাবিলাও মুকলি হয়, বতাহ নামে হয়, বাট ঘাটো [illegible] সেই মাহত কৃষকৰ চুৰবাৰ ভাত ককাই মিঠাৰ কুটুম সকলোকে খোৱাই আনন্দেৰে শুভ কাৰ্য্যত লাগি থকা কন্যাক [illegible] নানা ৰকমৰ নাচ বাগ কৰি শুভ কাৰ্য্য সমাধা কৰিব পাৰে।

* অৰ্থাৎ ঋতুৰ বাহিৰ হোৱাৰ দিনৰ পৰা যোল দিন পৰ্যন্ত তিৰোতাৰ [illegible]

২। ফাগুণত বসন্তকাল, এই সময়ত সকলোৰে মন আনন্দ হয় কিয়নো নানা ৰকমৰ ফুলৰ গোন্ধ আৰু হবেক ৰকমৰ চৰাইৰ মাত শুনি ডেকা গাভৰুৰ প্ৰেমৰ ভাব হৈ আনন্দত বিভোল হৈ থাকে, সেই দেখি এই মাহত বিয়া কৰিলে দৰা কন্যা উভয়ৰ মনৰ বাঞ্চা পূৰ্ণ হয়

৩। বহাগত দিন কালো ভাল আৰু গাত চ'তৰ বিহুৰ বতাহ লাগি বিশেষ ডেকা গাভৰুৰ কাম বাণে পেড়ি ধৰে সেই দেখি এই মাহত বিয়া কৰিলে বিশেষ উভয়ৰে আনন্দ হয়।

ইয়াৰ বাহিৰে তলত লিখা মাহতো বিয়া কৰিব পাৰি কিন্তু দৰ অসুবিধা আৰু সকলোৰে খোৱা লোৱাত আৰু শোৱা খোৱাত অনেক অসুবিধা পাই।

—:০:—

ষোড়স শৃঙ্গাৰ বৰ্ণন।

দ্বিতীয়াত থাকে পদৰ ওপৰে
প্ৰতিপদে পদতল
তৃতীয়াত থাকে জানু মণ্ডলত
চতুৰ্থীত উৰুতলে।

পঞ্চমী তিথিত যোনি মণ্ডলত
ষষ্ঠিত থাকে নাভীত ।
সপ্তমীত গর্ভে থাকন্ত মদন
অষ্টমী হৃদি স্থানত ।
নবমীত গণে নিবাস করন্ত
দশমে থাকে ওষ্ঠত ।
একাদশী হলে চক্ষুত থাকন্ত
দ্বাদশে থাকে গালত ॥
ত্রয়োদশী পাইলে কর্ণত নিবাস
চতুর্দ্দশে মস্তকত ।
অমাবস্যা পাইলে হুলটয় কাম
সর্ব্বগাত্রে প্রিশ্বাত ॥



জাননী।



আমার এখানে হস্ত লিখা পুঁথি বিলাক পাব আরু জন আন পুথি কাগজ কলম ইত্যাদি সকলো সুলভ বথ হৈছে পত্র পালেই আনককৈ ভলপ বস্তু দিয়ে পঠোৱা হয়

১	নামকীর্ত্তন	৵
২।	লক্ষ্মণ চরিত্র	৷
৩	গোপীবস্ত্র হরণ	৶৵
৪।	পুষ্পের চরিত্র	৷৹
৫।	[illegible]	[illegible]
৬।	[illegible]	[illegible]
৭।	ফুলকোঁৱৰ	৶৹
৮।	হরিশ্চন্দ্র আইনাম	[illegible]
৯।	নরকাসুর বধ	৶৹
১০।	শিশুপাল বধ	[illegible]

ভট্টাচার্য্য এজেন্সি

বিদ্যাবাৰি আসাম।